# ওমান সাম্ৰাজ্যৰ ৰাষ্ট্ৰপ্ৰধান মহামহিম চুলতান হাইথাম বিন তাৰিকৰ ভাৰত ভ্ৰমণ (১৬ ডিচেম্বৰ, ২০২৩)

১০ ডিচেম্বৰ ২০২৩

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মূৰ্মুৰ আমন্ত্ৰণত ১৬ ডিচেম্বৰ ২০২৩ তাৰিখে ভাৰত ভ্ৰমণ কৰিব ওমান সাম্ৰাজ্যৰ ৰাষ্ট্ৰপ্ৰধান মহামহিম চুলতান হাইথাম বিন তাৰিকে। তেওঁৰ সৈতে থাকিব জ্যেষ্ঠ মন্ত্ৰী আৰু বিষয়াসকলকে ধৰি উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ এটা দল। মহামহিম চুলতান হাইথাম বিন তাৰিকৰ এয়া প্ৰথম ভাৰতলৈ চৰকাৰী ভ্ৰমণ আৰু ই ওমান সাম্ৰাজ্য তথা ভাৰতৰ কূটনৈতিক সম্পৰ্কত এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে।

২. ২০২৩ চনৰ ১৬ ডিচেম্বৰত মহামহিম চুলতান হাইথাম বিন তাৰিকক ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে আনুষ্ঠানিক আদৰণি জনাব। তেওঁ প্ৰধানমন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব আৰু প্ৰধানমন্ত্ৰীয়ে তেওঁৰ সন্মানত দুপৰীয়াৰ আহাৰৰ আতিথ্যৰো আয়োজন কৰিব।

৩. ভাৰত আৰু ওমানৰ বন্ধুত্ব আৰু সহযোগিতাৰ ইতিহাস দীৰ্ঘদিনীয়া যি পাৰস্পৰিক আস্থা আৰু সন্মানৰ ভেটিত গঠিত আৰু এয়া হ'ল শতিকাজুৰি চলি অহা দুয়োখন দেশৰ জনসাধাৰণৰ মাজৰ শক্তিশালী সম্পৰ্ক। ভাৰত আৰু ওমান সাম্ৰাজ্যৰ কৌশলগত অংশীদাৰ আৰু বছৰ বছৰ ধৰি দুয়োখন ৰাষ্ট্ৰৰ মাজত দ্বিপাক্ষিক বাণিজ্য তথা বিনিয়োগৰ সম্পৰ্ক বৃদ্ধি পাইছে ।

৪. এই ভ্ৰমণে ভাৰত আৰু ওমানৰ মাজত আঞ্চলিক স্থিতিশীলতা, প্ৰগতি তথা সমৃদ্ধিৰ বাবে ভৱিষ্যতৰ সহযোগিতাৰ পথ অন্বেষণ কৰাৰ এক সুযোগ হিচাপে বিবেচিত হৈছে।

**নতুন দিল্লী**
**১০ ডিচেম্বৰ ২০২৩**